**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 08-07-**2025
**Time :** 1205 Hrs

***Assamese Midday Bulletin***

-----------------------------

ৰাজ্যৰ ছাত্ৰ-ছাত্ৰীসকলৰ সৰ্বাঙ্গীণ বিকাশৰ লক্ষ্যৰে অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগে ৰাজ্যৰ প্ৰতিটো বিধানসভা সমষ্টিত দুখনকৈ কৰ্মশালাৰ আয়োজন কৰিছে। ছাত্ৰ-ছাত্ৰীসকলৰ গ্ৰীষ্ম বন্ধৰ সময়চোৱা সৃষ্টিশীল কাম-কাজৰ মাজেৰে পাৰ কৰাৰ লক্ষ্যৰে এই কৰ্মশালাসমূহৰ আয়োজন কৰা হৈছে।

এই উপলক্ষে ধেমাজি জিলা প্ৰশাসনৰ সহযোগত ধেমাজিত কালিৰে পৰা ১৫ দিনীয়াকৈ সত্ৰীয়া নৃত্য আৰু গায়ন-বায়নৰ কৰ্মশালা অনুষ্ঠিত হৈছে। জিলাখনৰ দুটা সামাজিক-সাংস্কৃতিক সংগঠনৰ উদ্যোগত ধেমাজি নলনিপাম প্ৰাথমিক বিদ্যালয়ত আয়োজন কৰা এই কৰ্মশালাত ভালেসংখ্যক শিশু আৰু কিশোৰ-কিশোৰীয়ে অংশগ্ৰহণ কৰিছে। ডিব্ৰুগড় জিলাতো কালিৰে পৰা চাবুৱা ষ্টেডিয়ামত সমৰ কলাৰ গ্ৰীষ্মকালীন প্ৰশিক্ষণ অনুষ্ঠিত হৈছে। চাবুৱাৰ বিধায়ক পোনাকণ বৰুৱাই এই কৰ্মশালাখন শুভাৰম্ভ কৰে। একেদৰে যোৰহাট জিলাতো টিয়ক আৰু যোৰহাট বিধানসভা সমষ্টিত গ্ৰীষ্মকালীন সাংস্কৃতিক কৰ্মশালাৰ শুভাৰম্ভ কৰা হয়। টিয়কৰ কাকজান উচ্চতৰ মাধ্যমিক বালক বিদ্যালয় আৰু যোৰহাট থিয়েটাৰ হলত এই কৰ্মশালা অনুষ্ঠিত হৈছে।

oooooo

উত্তৰ-পূৰ্বাঞ্চলৰ জলপথৰ বিকাশৰ বাবে কেন্দ্ৰীয় চৰকাৰে ৫ হাজাৰ কোটি টকা ব্যয় কৰিব। তদুপৰি উত্তৰ-পূৰ্বাঞ্চলৰ অৰ্থনৈতিক বিকাশ সুদৃঢ় কৰাৰ উপৰি সামুদ্ৰিক খণ্ডত অঞ্চলটোৰ যুৱক-যুৱতীসকলক কৰ্মসংস্থাপনৰ সুবিধা প্ৰদানৰ বাবে চৰকাৰে ভালেমান ব্যৱস্থা গ্ৰহণ কৰিছে। গুৱাহাটীত কালি এখন সংবাদমেলত কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে ডিব্ৰুগড়ত স্থাপন হ'বলগীয়া সামুদ্ৰিক উৎকৰ্ষতা কেন্দ্ৰত অনাগত ১০ বছৰত ৫০ হাজাৰ ছাত্ৰ-ছাত্ৰীক প্ৰশিক্ষণ দিয়া হ'ব। চৰকাৰে শিলঘাট-নিমাতী-বিশ্বনাথ ঘাট আৰু গুইজানত ৩০০ কোটি টকাৰ বিনিয়োগৰ আঁচনিও গ্ৰহণ কৰিছে বুলিও মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ লগতে কয়, যে নদী জলপথেৰে জাহাজৰ বছৰজোৰা নিৰৱচ্ছিন্ন আৰু সুচল চলাচলৰ বাবে নদী খননৰ ব্যৱস্থা কৰা হ'ব। কেন্দ্ৰীয় চৰকাৰে পাণ্ডু, শিলঘাট, বিশ্বনাথ আৰু বগীবিলত লাইট হাউছ নিৰ্মাণৰ ব্যৱস্থা গ্ৰহণৰ কথা উল্লেখ কৰি শ্ৰীসোণোৱালে কয়, যে সময়োচিত বতৰ নিৰীক্ষণ ব্যৱস্থাৰ সৈতে ইয়াক একত্ৰিত কৰা হ'ব।

oooooo

উত্তৰ-পূব সীমান্ত ৰে'লৰেৰ লামডিং-বদৰপুৰ পাহাৰ ৰে'ল লাইনৰ মুপা-দিহাখো ষ্টেচনৰ মাজত কালি পুৱাৰ ভাগত হোৱা ভূমিস্খলনৰ পৰিপ্ৰেক্ষিতত কাইলৈ পৰ্যন্ত কেইবাখনো ৰে'লৰ যাত্ৰা বাতিল কৰা হৈছে। অৱশ্যে কালি মুপা-দিহাখো ষ্টেচনৰ মাজত পাহাৰৰ পৰা খহি পৰা মাটি আৰু শিল আঁতৰাই আগৰতলা-ৰাণী-কমলাপতি স্পেচিয়েল এক্সপ্ৰেছ আৰু শিলচৰ-ছিয়ালদহ-কাঞ্চনজংঘা এক্সপ্ৰেছ বিপজ্জনক পৰিস্থিতিত চলাচল কৰোৱা হয়। গুৱাহাটী-শিলচৰ পথৰ কেইবাখনো ৰে'লৰ যাত্ৰা বাতিল নাইবা সময় সাল-সলনি কৰা হৈছে। এনে পৰিস্থিতিত কালি ৰাজ্যসভাৰ সাংসদ কনাড পুৰকাযস্থৰ নেতৃত্বৰ এটা দলে উত্তৰ-পূব সীমান্ত ৰে'লৰেৰ মহাপ্ৰবন্ধক চেতন শ্ৰীবাস্তৱক সাক্ষাৎ কৰে।

ইপিনে, জাতিংগা-শিলচৰ ৰাষ্ট্ৰীয় ঘাইপথত ভূমিস্খলনৰ ফলত যান-বাহনৰ চলাচল বন্ধ হৈ পৰিছিল যদিও কালি ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধীকৰণ কৰ্তৃপক্ষই সামগ্ৰী পৰিবাহী বাহনসমূহ লাহে লাহে পাৰ কৰোৱাৰ ব্যৱস্থা কৰে। উল্লেখযোগ্য যে এই পথটো বন্ধহৈ পৰাৰ ফলত বৰাক উপত্যকাৰ উপৰি ত্ৰিপুৰা-মিজোৰাম আৰু মণিপুৰৰ বিভিন্ন অঞ্চলত অত্যাৱশ্যকীয় সামগ্ৰীৰ নাটনিয়ে দেখা দিছে। অৱশ্যে পথটোৰ এটা অংশ মুকলি হোৱাৰ ফলত কিছু সকাহ পোৱাৰ সম্ভাৱনা আছে।

oooooo

ধুবুৰী জিলাৰ চাপৰত আজি জিলা প্ৰশাসনে চলোৱা উচ্ছেদস্থলীত বিধায়ক অখিল গগৈ উপস্থিত হোৱাৰ পাছতে পৰিস্থিতি অধিক উত্তপ্ত হৈ উঠে। ইয়াৰ পৰিপ্ৰেক্ষিতত আৰক্ষী অধীক্ষকৰ নিৰ্দেশত চাপৰ আৰক্ষীয়ে বিধায়ক গগৈক থানালৈ লৈ যায়। জিলা প্ৰশাসনে এনে পৰিস্থিতিত সাময়িকভাৱে উচ্ছেদ অভিযান স্থগিত ৰাখে।

০০০০০০০

পাৰ্বত্য জিলা পশ্চিম কাৰ্বি আংলঙৰ খেৰণিত আজি নিচাজাতীয় দ্ৰব্যসহ এজন যুৱকক কাৰ্বি ছাত্ৰ সন্থাৰ সহযোগত আৰক্ষীয়ে আটক কৰে। কাৰ্বি ছাত্ৰ সন্থাৰ তথ্যৰ ভিত্তিত মাজগাঁৱৰ পৰা আটক কৰা কংকন তালুকদাৰ নামৰ যুৱকজনৰ পৰা আৰক্ষীয়ে ব্ৰাউন ছুগাৰভৰ্তি চাৰিটা কণ্টেইনাৰ জব্দ কৰে। অধিক তথ্যৰ বাবে আৰক্ষীয়ে যুৱকজনক সোধা-পোছা অব্যাহত ৰাখিছে।

০০০০০০০

যোৰহাটৰ চিনামৰা আৰক্ষী চকীৰ অন্তৰ্গত মুৰমুৰীয়াত কালি ভোগদৈ নৈৰ প্ৰবল সোঁতে এজন লোকক উটুৱাই নিয়ে। লোকজন মুৰমুৰীয়া চাহ বাগিচাৰ বিকাশ গোৱালা বুলি জানিব পৰা গৈছে। বাগিচাখনৰ ২৮ নম্বৰ লাইনৰ ভোগদৈৰ ঘাটত নমাৰ পাছতে তেওঁ নদীখনৰ পকনীয়াত সোমাই পৰে। লোকজনক উদ্ধাৰৰ বাবে এছ ডি আৰ এফৰ অভিযান অব্যাহত আছে। ইয়াৰ পূৰ্বে ভোগদৈ নৈত আন দুজন লোক উটি যোৱাৰ পাছত এছ ডি আৰ এফে কালি লোক দুজনৰ মৃতদেহ উদ্ধাৰ কৰিছিল।

০০০০০০০

বানত ক্ষতিগ্ৰস্ত কৃষক ৰাইজক সকাহ দিয়াৰ উদ্দেশ্যে চৰাইদেউ জিলা কৃষি বিভাগে ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনা, ২০২৫-২৬ আঁচনিৰ অধীনত সমূহীয়া কঠীয়াতলী প্ৰস্তুতকৰণৰ বাবে গুৰুত্বপূৰ্ণ ব্যৱস্থা লৈছে। সেই অনুসৰি এই আঁচনিৰ অধীনত আজি সোণাৰি কৃষি চক্ৰৰ কুৰুকানি গাঁৱৰ কৃষক কুলধৰ দেউৰীৰ কৃষিভূমিত সমূহীয়া কঠীয়াতলী প্ৰস্তুতৰ উদ্দেশ্যে বাহাদুৰ প্ৰজাতিৰ ধানৰ বীজ সিঁচাৰ কাৰ্যসূচী আৰম্ভ কৰে। এই কাৰ্যসূচীত চৰাইদেউ জিলাৰ অতিৰিক্ত জিলা আয়ুক্ত শ্ৰাৱণা সোণোৱালৰ লগতে চৰাইদেউ জিলাৰ কৃষি বিষয়া আৰু কৰ্মচাৰীসকল উপস্থিত থাকে।

০০০০০০০

পাৰ্বত্য জিলা পশ্চিম কাৰ্বি আংলঙৰ খেৰণিত আজি নিচাজাতীয় দ্ৰব্যসহ এজন যুৱকক কাৰ্বি ছাত্ৰ সন্থাৰ সহযোগত আৰক্ষীয়ে আটক কৰে। কাৰ্বি ছাত্ৰ সন্থাৰ তথ্যৰ ভিত্তিত মাজগাঁৱৰ পৰা আটক কৰা কংকন তালুকদাৰ নামৰ যুৱকজনৰ পৰা আৰক্ষীয়ে ব্ৰাউন ছুগাৰভৰ্তি চাৰিটা কণ্টেইনাৰ জব্দ কৰে। অধিক তথ্যৰ বাবে আৰক্ষীয়ে যুৱকজনক সোধা-পোছা অব্যাহত ৰাখিছে।

০০০০০০০

ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনাৰ অধীনত কালি লখিমপুৰ জিলাৰ ধলপুৰ, পানীগাঁও, দ'লহাট, নাওবৈচা আৰু বিহপুৰীয়া কৃষি চক্ৰত উন্নতমানৰ শালিধানৰ বীজ সিঁচা হয়। সংশ্লিষ্ট কৃষি চক্ৰৰ কৃষি উন্নয়ন বিষয়া, কৃষি সম্প্ৰসাৰণ সহায়কৰ লগতে কেইবাগৰাকী কৃষকে এই বীজ সিঁচা কাৰ্যত অংশ লয়। ৰাজ্যৰ বানত ক্ষতিগ্ৰস্ত কৃষকসকলক সকাহ দিয়াৰ উদ্দেশ্যে কৃষি বিভাগৰ সামূহিক কঠীয়াতলি স্থাপনৰ বিশেষ কাৰ্যসূচীৰ অধীনত এই বীজ সিঁচা হয়। ইয়াৰ জৰিয়তে কৃষকসকলে উন্নত প্ৰজাতিৰ কঠীয়া বিনামূলীয়াকৈ লাভ কৰিব।

০০০০০০০

**সমাপ্ত**